# 2014

## ASSAMESE

( Major )

Paper : 5.5

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া : ১×৭=৭

(ক) 'সাহিত্য দৰ্পণ' গ্ৰন্থখনৰ প্ৰণেতা কোন?

(খ) "ৰাক্যং ৰসাত্মকং কাব্যম্"—কথাষাৰি কোনে কৈছিল?

(গ) ত্ৰৈলোক্যনাথ গোস্বামীয়ে ৰচনা কৰা সাহিত্যতত্ত্ব-সম্পৰ্কীয় গ্ৰন্থখনৰ নাম কি?

(ঘ) 'চনেট'ৰ প্ৰধান বৈশিষ্ট্যটো কি?

(ঙ) নাটক আৰু অন্যান্য সাহিত্যৰ মাজত মূল পাৰ্থক্যটো কি?

(চ) ইংৰাজী 'classicism' শব্দটো কোনটো লেটিন শব্দৰ পৰা আহিছে?

(ছ) 'প্ৰকৃতি প্ৰীতি' কোনটো সাহিত্যিকবাদৰ অন্যতম বৈশিষ্ট্য?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) ধ্রুৱবাদৰ দুটা প্ৰধান বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ৰস কেইবিধ আৰু কি কি?

(গ) কবিতাৰ ভাগ দুটা কি কি?

(ঘ) নাটক আৰু চুটিগল্পৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

৩। (ক) ৰসৰ ভিতৰত কোনবিধ ৰসক শ্ৰেষ্ঠ বুলি কোৱা হয়? যুক্তি দৰ্শাই আলোচনা কৰা। ১০

*নাইবা*

(খ) ৰমন্যাসবাদৰ পৰা আধুনিকতাবাদ কিদৰে ফালৰি কাটি আহিছে? বহলাই আলোচনা কৰা।

৪। (ক) কবিতা সম্পৰ্কত আলোচকসকলে আগবঢ়োৱা সংজ্ঞাসমূহ বিচাৰ কৰা। ১০

*নাইবা*

(খ) নাটকৰ তিনি ঐক্য বুলিলে কি বুজা? নাটকৰ এই তিনি ঐক্যৰ প্ৰাসঙ্গিকতা সম্পৰ্কে আলোচনা দাঙি ধৰা।

৫। (ক) "উপন্যাসত চিত্ৰিত হয় গোটেইটো জীৱন আৰু চুটিগল্পত প্ৰতিফলিত হয় 'এচকল জীৱন'।" কথাষাৰি বিচাৰ কৰা। ১০

*নাইবা*

(খ) চুটিগল্পত গল্পকাৰৰ দৃষ্টিভংগী সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

৬। চমু টোকা লিখা (যি কোনো **তিনিটা**) : ৫×৩=১৫

অলংকাৰশাস্ত্ৰ ; ভৰতৰ নাট্যশাস্ত্ৰ ; চিত্ৰকল্প ; প্ৰতীকবাদ ; ঔপন্যাসিকৰ জীৱনদৰ্শন ; গতিশীল চৰিত্ৰ।

★★★